## অসমৰ চাহ উদ্যোগৰ ইতিহাসত প্ৰথমগৰাকী মহিলা

# মঞ্জু বৰুৱা হিলিকা চাহ বাগিচাৰ প্ৰবন্ধক নিযুক্ত

গুৱাহাটী, ৯ ডিচেম্বৰ ঃ ৰাজ্যৰ দুশ বছৰীয়া অসম চাহৰ ইতিহাসত প্ৰথমগৰাকী মহিলা চাহ বাগিচাৰ প্ৰবন্ধক হিচাপে যোগদান কৰিছে মঞ্জু বৰুৱাই। উল্লেখযোগ্য যে মঞ্জু বৰুৱাই তিনিচুকীয়াৰ হিলিকা চাহ বাগিচাৰ প্ৰবন্ধক হিচাপে যোগদান কৰে। তেওঁ ২০০০ চনৰ পৰাই এপিজে চাহত এগৰাকী কৰ্মচাৰী হিচাপে যোগদান কৰিছিল। এই সন্দৰ্ভত মতামত প্ৰকাশ কৰি মঞ্জু বৰুৱাই কয় ঃ অধ্যক্ষ মিঃ কৰণ পলৰ বদান্যতাৰ বাবে এনে এটা পদবীত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। তেওঁ যি ধৰণে মোক মোৰ কাৰ্য সম্পৰ্কে জ্ঞাত কৰি মোক এই পদবীত আসীন হোৱাৰ বাবে তেওঁ শুভেচ্ছা জনাইছিল। যোৱা এক আগষ্টৰ পৰা তেওঁ তিনিচুকীয়াৰ ডুমডুমাস্থিত হিলিকা চাহ বাগিচাৰ প্ৰবন্ধক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে বৰুৱাই প্ৰথমতে এপিজয় চাহৰ ডিব্ৰুগড়ৰ নিকটৱৰ্তী হুকনগুৰি চাহ বাগিচাত ট্ৰেইনী বেলফেয়াৰ হিচাপে যোগদান কৰিছিল। তেওঁ পুনৰ কয় যে নিজৰ কামৰ গুণগত মান থকাটো অতিকৈ জৰুৰী। নিজৰ উজ্জ্বল ভৱিষ্যতৰ বাবে নিজকে বিশ্লেষণ কৰাটো অতি জৰুৰী বুলি এক প্ৰেছ বিজ্ঞপ্তিযোগে এই কথা জনোৱা হৈছে।